# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

নং ঃ ১৯৯/২০২০

চিৰাং জিলাত ক'ভিড-১৯ ৰ সংক্ৰমণ প্ৰতিৰোধকল্পে লোৱা ব্যৱস্থাৱলীৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

# সীমান্ত অঞ্চলত বসবাস কৰা দুখীয়া লোকসকলে যাতে লক ডাউনৰ সময়ছোৱাত খাদ্য সংকটত নুভুগে তাৰ বাবে জিলা প্ৰশাসনক নিশ্চিত পদক্ষেপ ল'বলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

## প্ৰয়োজন সাপেক্ষে ২৪ ঘন্টাই সেৱা আগবঢ়োৱাৰ বাবে বিষয়া-কৰ্মচাৰীসকল প্ৰস্তুত থাকিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২২ এপ্ৰিল ঃ** ভাৰত-ভূটান সীমান্তৰ দুৰ্গম অঞ্চলত বসবাস কৰা দুখীয়া লোকসকলে যাতে লক ডাউনৰ সময়ছোৱাত কোনো কাৰণতে খাদ্য সংকটত ভূগিব নালাগে তাৰ বাবে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি চিৰাং জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে চিৰাং জিলাৰ দুৰ্গম অঞ্চলৰ লগতে অন্যান্য অঞ্চলৰ কৃষকসকলৰ উৎপাদিত সামগ্ৰীয়ে যাতে উপযুক্ত বজাৰ লাভ কৰিব পাৰে এই ক্ষেত্ৰত বিহীত ব্যৱস্থা গ্ৰহণ কৰাৰ বাবেও কৃষি বিভাগক নিৰ্দেশ দিয়ে। আজি চিৰাং জিলাৰ সদৰ কাজল গাঁৰস্থিত জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত ক'ভিড-১৯ পৰ্যালোচনা বৈঠকত মুখ্যমন্ত্ৰীয়ে এই নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে জিলাখনত স্বাস্থ্য বিভাগে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰো পৰ্যালোচনা কৰে। পৰ্যালোচনা বৈঠকত অংশ গ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে লক ডাউনৰ সময়ছোৱাত জিলাখনৰ সৰ্বসাধাৰণ ৰাইজৰ অত্যাৱশ্যকীয় তথা জৰুৰীকালীন সেৱা যাতে ব্যাহত নহয় তাৰ বাবে সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে।

পৰ্যালোচনকমূলক বৈঠকৰ আৰম্ভণিতে জিলা উপায়ুক্ত গৌতম তালুকদাৰে জিলাখনত ক'ভিড-১৯ সংক্ৰমণ প্ৰতিৰোধৰ কল্পে গ্ৰহণ কৰা ব্যৱস্থাৰীলৰ লগতে লক ডাউনৰ সময়ছোৱাত জনসাধাৰণক সকাহ প্ৰদানৰ বাবে জিলা প্ৰশাসনে গ্ৰহণ কৰা ব্যৱস্থাৱলীসমূহ মুখ্যমন্ত্ৰীক অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশাৱলীৰ ভিত্তিত জিলাখনত সামাজিক দূৰত্ব বজাই ৰাখি কৃষি কৰ্মত জড়িত কৰাৰ বাবে কৃষকসকলক উৎসাহ যোগাবলৈ জিলা কৃষি বিষয়াগৰাকীক নিৰ্দেশ দিয়ে। তদুপৰি এইখিনি সময়ত অত্যাৱশ্যকীয় সামগ্ৰীৰ যাতে কোনো ধৰণৰ নাটনি নহয় তাৰ প্ৰতি উপযুক্ত পদক্ষেপ লোৱাৰ বাবেও জিলা প্ৰশাসনক তেওঁ নিৰ্দেশ দিয়ে। লক ডাউনৰ সময়ছোৱাত অত্যাৱশ্যকীয় সামগ্ৰীৰ যাতে মূল্যবৃদ্ধি নহয় তাৰ বাবে জিলাখনৰ পাইকাৰী ব্যৱসায়ীসকলৰ সৈতে এক আলোচনাত মিলিত হোৱাৰ বাবেও মুখ্যমন্ত্ৰীয়ে জিলা উপায়ুক্তক নিৰ্দেশ দিয়ে। জিলাখনৰ দায়িত্বত থকা মন্ত্ৰী, বিধায়ক তথা সাংসদসকলৰ সৈতে নিয়মীয়াভাৱে বৈঠকত মিলিত হোৱাৰ বাবেও মুখ্যমন্ত্ৰীয়ে জিলা উপায়ুক্তগৰাকীক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে

চিৰাং জিলাৰ ৫ লাখ লোকলৈ জিলা প্ৰশাসনে ২৪ ঘন্টাই সহায়ৰ হাত আগবঢ়োৱাৰ পদক্ষেপ ল'বলৈও জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। এই ক্ষেত্ৰত জিলা উপায়ুক্তৰ কাৰ্যালয়ত থকা নিয়ন্ত্ৰণ কক্ষ ২৪ ঘন্টাই সক্ৰিয় কৰি ৰাখিবলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে।

আজিৰ এই পৰ্যালোচনামূলক বৈঠকত বিধায়ক বিমল বৰা, কমল সিং নাৰ্জাৰী, বিটিচিৰ প্ৰধান সচিব ৰবীনচন মুছাহাৰী, বিটিএডিৰ আই জি পি অনুৰাগ আগৰৱালা, ডি আই জি ভায়লেট বৰুৱা, উপায়ুক্ত গৌতম তালুকদাৰ, আৰক্ষী অধীক্ষক সুধাকৰ সিঙৰ লগতে বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়া সকল উপস্থিত থাকে।

ইয়াৰ পিছতে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাৰ সময়ত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই দ্বিতীয় পৰ্যায়ৰ লক ডাউন অসমৰ জনসাধাৰণে নিষ্ঠাৰে পালন কৰিছে। অসমৰ ৩৩ খন জিলাতে জনসাধাৰণে কৰ'ণা ভাইৰাছৰ সংক্ৰমণৰ পৰা ৰক্ষা পাবলৈ নিজকে এই কাৰ্যসূচীত আত্মনিয়োগ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে বিদেশত থকা ছাত্ৰ-ছাত্ৰীসকলৰ লগতে ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যলৈ চিকিৎসা তথা বিভিন্ন কৰ্ম সংস্থাপনৰ বাবে যিসকল লোক গৈছিল সেইলোকসকললৈ অসম চৰকাৰৰ তৰফৰ পৰা সহায়-সহযোগিতা আগবঢ়োৱাৰ পদক্ষেপ লোৱা হৈছে।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসমৰ বুকুত বসবাস কৰা ৩ কোটি ৩০ লাখ লোকৰ বাবে ৰাজ্য চৰকাৰৰ পৰা ব্যৱস্থা গ্ৰহণ কৰা হৈছে যাতে এই সময়ছোৱাৰ ভিতৰত অসমৰ কোনো ব্যক্তি অসুবিধাত নপৰে। অসমৰ জনসাধাৰণে অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগান যাতে লাভ কৰি থাকে তাৰ বাবে অসমৰ প্ৰতিখন জিলাতে জিলা প্ৰশাসনৰ তৰফৰ পৰা সকলো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। অসম চৰকাৰৰ স্বাস্থ্য বিভাগে স্বাস্থ্য খণ্ডত অসমৰ জনগণক উল্লেখযোগ্য সেৱা আগবঢ়াইছে। স্বাস্থ্য বিভাগে আগবঢ়োৱা সেৱাৰ বাবে আক্ৰান্ত ৰোগীসকল সুস্থ হৈ উঠিছে ইয়াৰ বাবে অসমৰ জনসাধাৰণৰ আত্মবিশ্বাস বৃদ্ধি হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।এই সময়ছোৱাত আৰক্ষী, স্বাস্থ্যকৰ্মী, জনস্বাস্থ্য কাৰিকৰী, খাদ্য আৰু অসমাৰিক যোগা, বিদুৎ ইত্যাদি জৰুৰী সেৱাৰ লগত জড়িত বিভাগ সমূহে নিষ্ঠা সহকাৰে অসমৰ জনসাধাৰণক সেৱা প্ৰদানৰ কামত ব্ৰতী হৈ আছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে জনসাধাৰণৰ মাজত ক'ভিড-১৯ সম্পৰ্কে সজাগতা সৃষ্টিৰ দিশত সংবাদ মাধ্যমে গ্ৰহণ কৰা ভূমিকাৰো শলাগ লয়।

**গঃনা /বঃভাঃ / প্ৰঃকুঃবঃ / পুঃডেঃ**
**২২/৪/২০২০**